# 2012

# ASSAMESE

## ( Major )

### Paper : 3.2

### ( অসমীয়া সাহিত্যৰ বিশেষ অধ্যয়ন )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

তলৰ যি কোনো এটা শাখাৰ উত্তৰ কৰিবা

## ক—শাখা

### ( শংকৰদেৱ )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ কৰিবা : ১×১০=১০

(ক) শংকৰদেৱে 'পাৰিজাত হৰণ'ৰ কাহিনীভাগ প্ৰধানভাৱে ক'ৰ পৰা গ্ৰহণ কৰিছে ?

(খ) কীৰ্তনৰ বিভিন্ন খণ্ড সংগ্ৰহ কৰি কোনে প্ৰথমে এখন গ্ৰন্থৰূপে পৰিণত কৰে ?

(গ) 'অজামিল উপাখ্যান'ৰ উৎস গ্ৰন্থখনৰ নাম লিখা।

(ঘ) বৰগীতসমূহক কোনে Noble Numbers বুলি অভিহিত কৰিছিল ?

(ঙ) নৰকে কাৰ কুণ্ডল হৰণ কৰিছিল ?

(চ) শংকৰদেৱৰ কাব্য-নাট ৰচনাৰ মূল উদ্দেশ্য কি আছিল ?

(ছ) শংকৰদেৱে কোন কবিক ‘অপ্ৰমাদী’ কবিৰূপে আখ্যায়িত কৰিছিল ?

(জ) শংকৰদেৱে ৰচনা কৰা লিখিত নাটৰ সংখ্যা কিমান ?

(ঝ) শংকৰদেৱে কাক ‘তামসিক’ কবি বুলি অৱজ্ঞা কৰিছিল ?

(ঞ) শংকৰদেৱে তেওঁৰ প্ৰথম বৰগীতটো কোন ঠাইত ৰচনা কৰিছিল ?

২। চমুকৈ উত্তৰ কৰিবা : ২×৫=১০

(ক) শংকৰদেৱে অংকীয়া নাট ৰচনা কৰাৰ আগতে অসমত প্ৰচলিত থকা দুটা লোক-নাট্যানুষ্ঠানৰ নাম লিখা।

(খ) ‘পাৰিজাত হৰণ’ নাটত চিত্ৰিত নাট্যকাৰৰ দুটা কল্পনাপ্ৰসূত নাৰীচৰিত্ৰৰ নাম লিখা।

(গ) ‘কীৰ্তন’ পুথিৰ আৰম্ভণি ঘোষাটোৰ প্ৰথম দুই শাৰী উল্লেখ কৰা।

(ঘ) শংকৰদেৱৰ ‘ৰুক্মিণীহৰণ কাব্য’ৰ ‘ৰুক্মী’ আৰু ‘কুণ্ডিল’ মূল গ্ৰন্থত (উৎস গ্ৰন্থত) কি বুলি আছে ?

(ঙ) ৰামায়ণৰ কাহিনীৰ আধাৰত শংকৰদেৱে ৰচনা কৰা নাটখনৰ নাম কি ? বাল্মীকি ৰামায়ণৰ কোন কাণ্ডত এই কাহিনীভাগ পোৱা যায় ?

৩। যি কোনো চাবিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৪=২০

(ক) 'অজামিল উপাখ্যান'ত নিহিত থকা হৰিনামৰ অসীম-মাহাত্ম্যৰ বিষয়ে আলোচনা কৰা।

(খ) 'ৰুক্মিণীহৰণ কাব্য'খনত পৰিৱেশিত হাস্যৰস সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(গ) কীৰ্তনৰ অন্তৰ্গত প্ৰহ্লাদ চৰিত্ৰৰ মাজেৰে ফুটি উঠা প্ৰহ্লাদৰ বিষ্ণু ভক্তিৰ নিদৰ্শন দেখুওৱা।

(ঘ) 'গোপালে কি গতি কৈলে.....' শীৰ্ষক বৰগীতটিৰ ভাবাৰ্থ বহলাই লিখা।

(ঙ) শংকৰদেৱৰ্ বৰগীতৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(চ) 'পাৰিজাত হৰণ' নাটত বীৰৰসে কিদৰে প্ৰাধান্য বিস্তাৰ কৰিছে, বিৱৰি লিখা।

৪। (ক) শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) 'ৰুক্মিণীহৰণ কাব্য'ত অসমীয়া সমাজৰ চিত্ৰ কিদৰে পৰিস্ফুট হৈছে, বহলাই লিখা।

৫। (ক) ''ভগৱন্তই কামজয় প্ৰদৰ্শন কৰিবৰ নিমিত্তেই ৰাস-নামক নৃত্যৰ অনুকৰণ কৰি লীলা কৰিছিল।'' এই মন্তব্যৰ আধাৰত ৰাসলীলাৰ তাৎপৰ্য ব্যাখ্যা কৰা। ১০

*অথবা*

(খ) শঙ্কৰদেৱৰ 'কীৰ্তন'ত নৱ ৰসৰ কেনেদৰে উদ্ৰেক ঘটিছে, উদাহৰণসহ আলোচনা কৰা।

৬। (ক) “ ‘অজামিল উপাখ্যান’ৰ চৰিত্ৰ-চিত্ৰণত কবিয়ে কলাত্মক-তুলিকাৰ কোনো সাঁচ দিবলৈ যত্ন কৰা নাই যেন লাগে।” সমালোচকৰ এই মন্তব্যৰ যথাৰ্থতা বিচাৰ কৰা। ১০

*অথবা*

(খ) শংকৰদেৱৰ বৰগীতৰ ভাষা আৰু ছন্দ সম্পৰ্কে আলোচনা কৰা।

৭। (ক) ‘ৰুক্মিণীহৰণ কাব্য’ সৃষ্টিত শংকৰদেৱৰ মৌলিকতা বিচাৰ কৰা। ১০

*অথবা*

(খ) শংকৰদেৱে নাৰীচৰিত্ৰৰ বৈপৰীত্য সৃষ্টিত দেখুওৱা বিচক্ষণতা ‘পাৰিজাত হৰণ’ নাটৰ আলমত বিচাৰ কৰা।

## খ—শাখা

### ( লক্ষ্মীনাথ বেজবৰুৱা )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ কৰিবা : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱা অসম সাহিত্য সভাৰ কোনখন অধিবেশনৰ সভাপতি আছিল ?

(খ) ‘সাধুকথাৰ কুঁকি’ কোন চনত প্ৰথম প্ৰকাশিত হৈছিল ?

(গ) বেজবৰুৱাৰ 'লাওখোলা' গল্পত ৰবীন্দ্ৰনাথৰ কোনটো গল্পৰ অনুৰণন শুনা যায়?

(ঘ) 'ধনবৰ আৰু ৰতনী' কবিতাটিত উল্লিখিত ৰতনীৰ বয়স কিমান?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাই 'বীণ-বৰাগী' কবিতাটো কোন ঠাইত থাকোঁতে ৰচনা কৰিছিল?

(চ) বেজবৰুৱাক 'ৰসৰাজ' উপাধিটো কোনে প্ৰদান কৰিছিল?

(ছ) বেজবৰুৱাই কোন ঠাইত কাঠৰ ব্যৱসায় কৰিছিল?

(জ) বেজবৰুৱাৰ একমাত্ৰ উপন্যাসখনৰ নাম লিখা।

(ঝ) 'কন্যা' গল্পত উল্লিখিত নৈখনৰ নাম কি?

(ঞ) 'চোৰ' গল্পত বৰ্ণিত ইন্দুমতীৰ গিৰীয়েকৰ নাম কি?

২। চমুকৈ উত্তৰ কৰিবা : ২×৫=১০

(ক) "কবিতা হয় যদি হওক, নহয় যদি নহওক, বুলি মাজে সময়ে লিখা পদ্যবোৰ গোটাই একে ঠাই কৰি এই কিতাপখন কৰা হ'ল।" ইয়াত কোনে, কোনখন কিতাপৰ কথা কৈছে?

(খ) কৃপাবৰ বৰুৱা ছদ্মনামেৰে ৰচনা কৰা বেজবৰুৱাৰ দুখন গ্ৰন্থৰ নাম লিখা।

(গ) ধনবৰ আৰু ৰতনীৰ ঘৰ ক'ত আছিল?

(ঘ) “গাটো সোণবৰণীয়া ওঁঠ কোৱাভাতুৰীয়া
ডালিমগুটীয়া সৰু দাঁত।”

‘মাধৈ মালতী’ গল্পত উদ্ধৃত এই কবিতাফাঁকি গল্পকাৰে কি প্ৰসংগত অৱতাৰণা কৰিছে?

(ঙ) বেজবৰুৱাৰ সমসাময়িক ‘জোনাকী’ যুগৰ দুগৰাকী গল্পকাৰৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৪=২০

(ক) বেজবৰুৱাৰ ‘জয়ন্তী’ গল্পৰ আলমত জয়ন্তীৰ বুদ্ধিমত্তাৰ এটি পৰিচয় দিয়া।

(খ) “বেজবৰুৱাৰ গল্পত অতিপ্ৰাকৃত উপাদান সততে লক্ষ্য কৰা যায়।” ‘লাওখোলা’ গল্পৰ আলমত কথাষাৰ বুজাই দিয়া।

(গ) ‘সাধুকথাৰ কুঁকি’ৰ অন্তৰ্গত গল্পসমূহৰ মাজেৰে তৎকালীন অসমৰ সামাজিক সমস্যা কেনেদৰে প্ৰকট হৈ উঠিছে, লিখা।

(ঘ) ‘ওভতনি’ৰ অন্তৰ্গত ‘অৱতাৰ’, ‘ভাৰত উদ্ধাৰ’ আৰু ‘বন্দেমাতৰম’ৰ মাজেৰে কৃপাবৰৰ সংস্কাৰকামী চেতনাই কেনেদৰে ভুমুকি মাৰিছে, বিৱৰি লিখা।

(ঙ) ‘চোৰ’ *অথবা* ‘কন্যা’ গল্পৰ কাহিনীভাগ চমুকৈ লিখি উলিওৱা।

(চ) ‘বীণ আৰু বৰাগী’ কবিতাত কবিৰ স্বদেশপ্ৰেম কেনেদৰে ব্যঞ্জিত হৈছে, লিখা।

৪। (ক) “লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পত সাধুকথাৰ উপাদান লক্ষ্য কৰা যায়।” ‘সাধুকথাৰ কুঁকি’ৰ গল্পসমূহৰ আধাৰত এই মন্তব্যৰ সত্যাসত্য বিচাৰ কৰা। ১০

*অথবা*

(খ) " 'সাধুকথাৰ কুঁকি'ৰ অন্তৰ্গত গল্পৰ জৰিয়তে সংস্কাৰাত্মক দিশ উন্মোচন কৰা হেতু সেইবোৰত সুকুমাৰ অনুভূতিৰ প্ৰকাশ সম্ভৱ নহ'ল।" এই মন্তব্যৰ সপক্ষে *অথবা* বিপক্ষে তোমাৰ মতামত ব্যক্ত কৰা।

৫। (ক) 'সুৰভি' গল্পপুথিৰ অন্তৰ্গত গল্পবোৰৰ নাৰীচৰিত্ৰ সম্পৰ্কে এটি সমীক্ষা আগবঢ়োৱা। ১০

*অথবা*

(খ) বেজবৰুৱাৰ চুটিগল্পৰ কলা-কৌশল সম্পৰ্কে আলোচনা কৰা।

৬। (ক) 'কৃপাবৰ বৰুৱাৰ ওভতনি'ত তীব্ৰ ব্যংগ (satire) আৰু বিমল হাস্যৰসৰ (humour) সমাৱেশ কিদৰে ঘটিছে, লিখা। ১০

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যংগ-ৰীতি সন্দৰ্ভত এটি প্ৰবন্ধ যুগুত কৰা।

৭। (ক) বেজবৰুৱাৰ কবিতাত ৰোমাণ্টিক কবিতাৰ কোনবোৰ বৈশিষ্ট্য পৰিস্ফুট হৈছে, বিৱৰি লিখা। ১০

*অথবা*

(খ) বেজবৰুৱাৰ 'ভ্ৰম', 'মালতী' আৰু 'প্ৰিয়তমাৰ সৌন্দৰ্য' শীৰ্ষক কবিতা তিনিটাত অভিব্যঞ্জিত হোৱা প্ৰেমৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

★★★